| | |
|---|---|
| ***Report*** | Celebrating Diamond Jubilee year 2021-22, a one-day Workshop on Co-Curricular Activity was organized jointly by Dept. of Political Science & Philosophy in association with Alumnae groups of Dept of Bengali and Sanskrit, Nowgong Girls' College on 8th April 2022 in Ratnakanta Borkakoty H S School, Nagaon. The workshop was started at 10am in the school hall. Introductory speech was given by Mrs Ranjana Bora HoD, Dept of Pol Sc. and she also anchored the whole programme. A short felicitation programme was conducted by Ms Suranjita Boruah and Ms Plabita Das. Respected Head Mistress of Ratnakanta Borkakoty H S School Mrs Trishna Bora welcomed everyone present in the workshop. Three groups of students from both the departments (Pol Sc and Philosophy) taught students of the school how to give extempore speech, how to recite a poem and lastly conducted an open quiz session which was of six rounds. They demonstrated and taught the students in a very lively manner. More than 100 students actively participated in the workshop. Presence of alumnae of the depts (Bengali and Sanskrit) in full enthusiasm made the workshop a sparkling one. |
| ***Photographs*** | <br> |

# নগাঁও ছোৱালী কলেজৰ উদ্যোগত কৰ্মশালা সম্পন্ন

'আমাৰ অসম'ৰ ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ১০ এপ্ৰিল ঃ নগাঁও ছোৱালী কলেজৰ হীৰকজয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি ৮ এপ্ৰিলত মহাবিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান আৰু দৰ্শন বিভাগে যুটীয়াভাৱে বাংলা আৰু সংস্কৃত বিভাগৰ প্ৰাক্তন ছাত্ৰীসকলৰ সহযোগত নগাঁওস্থিত ৰত্নকান্ত বৰকাকতি উচ্চ মাধ্যমিক বিদ্যালয়ত সম্প্ৰসাৰণ কাৰ্যসূচী হিচাপে সহ পাঠ্যক্ৰমৰ (কবিতা আবৃত্তি, আকস্মিক বক্তৃতা আৰু কুইজ) এদিনীয়া কৰ্মশালা অনুষ্ঠিত কৰে। নগাঁও ছোৱালী কলেজৰ কলেজ সংগীতেৰে শুভাৰম্ভ কৰা উক্ত অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী তৃষ্ণা বৰাকে প্ৰমুখ্য কৰি বহু কেইজন শিক্ষক-শিক্ষয়িত্ৰী আৰু নগাঁও ছোৱালী কলেজৰ কেইবাগৰাকী অধ্যাপিকাইও অংশগ্ৰহণ কৰে। ছাত্ৰ জীৱনত সহ-পাঠ্যক্ৰমৰ ভূমিকা সম্পৰ্কে বক্তব্য আগবঢ়ায় দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সঞ্চিতা বৰাই। ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ৰঞ্জনা বৰাই আঁত ধৰা কৰ্মশালাখনিত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত কবিতা আবৃত্তি, আকস্মিক বক্তৃতা আৰু কুইজৰ অনুশীলনত নগাঁও ছোৱালী কলেজৰ ৰাজনীতি বিজ্ঞান আৰু দৰ্শন বিভাগৰ ছাত্ৰীসকলে লোৱা উদ্যোগক উপস্থিত সকলোৱে শলাগ লয়।